# 15th round of Foreign Office Consultations between India and Singapore

August 11, 2021

# ভাৰত আৰু চিংগাপুৰৰ মাজত বিদেশ কাৰ্যালয় আলোচনাৰ 15তম চক্ৰ

আগষ্ট 11, 2021

1. ভাৰত আৰু চিংগাপুৰৰ মাজত বিদেশ কাৰ্যালয় আলোচনাৰ 15তম চক্ৰ 11 আগষ্ট 2021 তাৰিখে ভাৰচ্যুৱেল ধৰণে অনুষ্ঠিত কৰা হয়। ভাৰতীয় প্ৰতিনিধিত্বৰ নেতৃত্ব কৰে বিদেশ বিষয়ক মন্ত্ৰালয়ৰ সচিব (পূৱ), মিছেছ ৰিভা গাঙ্গুলীয়ে আৰু চিংগাপুৰৰ প্ৰতিনিধিত্বৰ নেতৃত্ব কৰে চিংগাপুৰৰ বিদেশ বিষয়ক মন্ত্ৰালয়ৰ স্থায়ী সচিব, মিঃ চি ৱি কিয়ঙে।

2. দুয়ো পক্ষই দ্বিপক্ষীয় সম্বন্ধৰ সমগ্ৰ পৰিসৰ নিৰীক্ষণ কৰে আৰু সন্তুষ্টি প্ৰকাশ কৰে যে মহামাৰীৰ স্বত্তেও, দ্বিপক্ষীৰ সম্বন্ধত যথেষ্ট অৰ্থ আৰু বিষয়বস্তু যোগ হৈছে, বিশেষকৈ বাণিজ্য আৰু প্ৰতিৰক্ষা সহযোগিতাত। দলকেইটাই দুয়োখন দেশৰ মাজত অৰ্থনৈতিক সংযোগ অধিক শক্তিশালী কৰাৰ উপায় আলোচনা কৰে। যাত্ৰাৰ সীমাবদ্ধতা শিথিল কৰা আৰু মানৱ সংযোগ পুনৰ আৰম্ভ কৰাৰ বিষয়েও আলোচনা কৰা হয়। সচিবে (পূৱ) চিংগাপুৰক ধন্যবাদ জ্ঞাপন কৰে দ্বিতীয় কোভিড ঢৌৰ সময়ত তেওঁলোকৰ সাহায্যৰ বাবে।

3. এচিয়ান-ভাৰত সম্বন্ধ আৰু ইণ্ডো-পেচিফিকত ভাৰত-চিংগাপুৰ সহযোগিতাৰ সম্বন্ধীয় বিষয়সমূহো আলোচনা কৰা হয়। চিংগাপুৰে এচিয়ানত ভাৰতৰ দেশ সমন্বয়কাৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিছে তিনি বছৰ কাললৈ (2021-2024)। অঞ্চলটোৰ সম্বন্ধীয় আন্তঃৰাষ্ট্ৰীয় আৰু কৌশলগত বিষয়সমূহৰ ওপৰত ভাব বিনিময় কৰা হয়।

4. এই আলোচনা এক বন্ধুত্বৰ আৰু উমাল পৰিৱেশত অনুষ্ঠিত হয়। দুয়ো পক্ষই সন্মত হয় আগন্তুক আলোচনা এক পাৰস্পৰিক সুবিধাজনক তাৰিখে অনুষ্ঠিত কৰিবলৈ।

**নতুন দিল্লী**
**আগষ্ট 11, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.